# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::::**

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ উপৰি অসমৰ ৫ টাকে ধৰি দেশৰ ৪৫ বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই অনুসৰি অসমৰ ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত নিৰ্বাচন হ'ব। সেইদিনাখনেই ৱাইনাড সংসদীয় আসনখনৰ বাবেও উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, মেঘালয়ৰ এখন আৰু চিকিমৰ দুখন বিধানসভা আসনৰ বাবে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব।

ইপিনে, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰত নন্দেৰ বিধানসভা আসনৰ বাবে ২০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইপিনে, মহাৰাষ্ট্ৰত এটা পৰ্যায়ত ২০ নৱেম্বৰত আৰু ঝাৰখণ্ডত ২ টা পৰ্যায়ত ১৩ আৰু ২০ নৱেম্বৰত বিধানসভা নিৰ্বাচন অনুঠিত হ'ব। নতুন দিল্লীত আজি নিৰ্বাচনৰ সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, অহা ২২ অক্টোবৰত ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু অহা ২৯ অক্টোবৰ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। ৰাজ্যখনত ভোটগ্ৰহণৰ বাবে এক লাখৰো অধিক ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ৯ কোটি ৬৩১ লাখৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ২৩ নৱেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব। ঝাৰখণ্ডত অহা ১৮ অক্টোবৰত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৫ অক্টোবৰ পৰ্যন্ত প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিব পাৰিব। দ্বিতীয় পৰ্যায়ৰ বাবে ৰাজ্যখনত ২২ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব আৰু ২৯ অক্টোবৰলৈ মনোনয়ন দাখিল কৰিব পাৰিব। মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা মতে ৰাজ্যখনত ২৬ হাজাৰৰো অধিক ভোটকেন্দ্ৰত ২ কোটি ৬০ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইফালে নিৰ্বাচনী সূচী ঘোষণা কৰাৰ লগে লগে দুয়োখন ৰাজ্যতে নিৰ্বাচনী আৰ্হি আঁচনি বলবৎ হৈছে।

০০০

ৰাজ্য চৰকাৰৰ স্বাস্থ্য শিক্ষা আৰু গৱেষণা বিভাগে আজি এটা নিৰ্দেশনাৰ জৰিয়তে অধ্যাপক ডা০ বসন্ত কুমাৰ বৈশ্যক অতিৰিক্তভাৱে গুৱাহাটীৰ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছে। যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ শৈল্য স্নায়ু বিভাগৰ অধ্যাপক ডা০ বৈশ্য বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হৃদয়, বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালক হিচাপেও নিয়োজিত হৈ আছে। উল্লেখযোগ্য যে ডা০ বৈশ্য নিৰ্মীয়মান অৱস্থাত থকা প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ প্ৰথমগৰাকী অধ্যক্ষ হিচাপে পৰিগণিত হ'ব।

০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানীয়ে উচ্চ উৎপাদনক্ষম দুটা লাইশাকৰ জাত আৰু এটা জলকীয়াৰ জাত উদ্ভাৱন কৰিবলৈ সক্ষম হৈছে। বিশ্ববিদ্যালয়খনৰ উদ্যান বিজ্ঞান বিভাগৰ গৱেষক বিজ্ঞানীয়ে দীৰ্ঘদিনীয়া গৱেষণাৰ জৰিয়তে প্ৰথমবাৰৰ বাবে **কাজলি** আৰু **লাইকা** নামৰ লাইশাকৰ দুটা জাত আৰু **প্ৰৱালী** নামৰ জলকীয়াৰ জাত উদ্ভাৱন কৰিছে। বিজ্ঞানীসকলে প্ৰকাশ কৰা মতে লাইশাকৰ জাত দুটা ৮৫ৰ পৰা ৯০ দিনৰ শস্যক্ৰমত হেক্টৰে প্ৰতি ৪০০ৰ পৰা ৪৫০ কুইণ্টল উৎপাদন কৰিব পাৰিব। আনহাতে জলকীয়াৰ জাতটোৱে হেক্টৰে প্ৰতি ১২০ৰ পৰা ১৩০ কুইণ্টল উৎপাদন কৰিব পাৰিব।

০০০

দৰং জিলাৰ ঐতিহাসিক দেৱানন্দ সত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে **মথনী উৎসৱৰ** আয়োজন কৰা হৈছে। মথনী উৎসৱৰ লগতে ১৬২৫ চনত স্থাপিত সত্ৰখনত ৪০০ বছৰীয়া জয়ন্তী শুভাৰম্ভণি অনুষ্ঠানৰ কাৰ্যসূচী উদযাপন কৰা হয়। সাংসদ দিলীপ শইকীয়াক সভপতি, বিধায়ক ড০ পৰমানন্দ ৰাজবংশীক কাৰ্যকৰী সভাপতি হিচাপে লৈ গঠন কৰা সমিতিয়ে এই কাৰ্যসূচীৰ আয়োজন কৰিছে। অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, বিধায়ক বসন্ত দাস, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকিব।

০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকতৰ পদ্ধতি সলনিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি ২০২৫ চনত অনুষ্ঠিত হ'বলগীয়া উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ ১২টাকৈ বিষয়ৰ প্ৰশ্ন কাকতৰ পদ্ধতি নতুন হ'ব। বিদ্যালয় শিক্ষা বোৰ্ডে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা অনুসৰি ১২টাকৈ বিষয়ৰ থিঅ'ৰীৰ মুঠ নম্বৰৰ ৫০ শতাংশ প্ৰশ্ন হ'ব বহু বিকল্পধৰ্মী অৰ্থাৎ এম চি কিউভিত্তিক। এই বহু বিকল্পধৰ্মী প্ৰতিটো প্ৰশ্নৰ বিপৰীতে থাকিব এক নম্বৰকৈ। আনহাতে বাকী ৫০ শতাংশ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল হ'ব। বিদ্যালয় শিক্ষা বোৰ্ডৰ নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়ৰ থিঅ'ৰীৰ ৭০ নম্বৰৰ ভিতৰত ৩৫ নম্বৰ বহু বিকল্পধৰ্মী আৰু বাকী ৩৫ নম্বৰ অতি চুটি, চুটি আৰু দীঘল প্ৰশ্ন থাকিব। গণিত বিষয়ৰ থিঅ'ৰীৰ ১০০ নম্বৰৰ ভিতৰত ৫০ নম্বৰৰ প্ৰশ্ন বহু বিকল্পধৰ্মী আৰু বাকী ৫০ নম্বৰৰ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল থাকিব। কলা শাখাৰ ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ থিঅ'ৰৰী ৮০ নম্বৰৰ ভিতৰত ৪০ নম্বৰৰ প্ৰশ্ন বহু বিকল্পধৰ্মী আৰু বাকী ৪০ নম্বৰৰ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল থাকিব। একেদৰে শিক্ষা, তৰ্ক আৰু দৰ্শন শাস্ত্ৰ, বুৰঞ্জী বিষয়ৰ থিঅ'ৰীৰ ১০০ নম্বৰৰ ভিতৰত ৫০ নম্বৰৰ প্ৰশ্ন বহু বিকল্পধৰ্মী আৰু বাকী ৫০ নম্বৰৰ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল থাকিব। বাণিজ্য শাখাৰ ব্যৱসায়িক অধ্যয়ন, একাউণ্টটেন্সী, ফাইনেন্স বিষয়ৰ থিঅ'ৰীৰ ৮০ নম্বৰৰ ভিতৰত ৪০ নম্বৰৰ প্ৰশ্ন বহু বিকল্পধৰ্মী আৰু বাকী ৪০ নম্বৰৰ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল থাকিব। বহু বিকল্পধৰ্মী প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে অ' এম আৰ শ্বিট প্ৰদান কৰা হ'ব বুলি বিদ্যালয় শিক্ষা বোৰ্ডে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

০০০

ঃঃ সমাপ্ত ঃঃ